# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 26-10-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - -**

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অব্যাহত ৰাখিছে। মন্ত্ৰী পীযূষ হাজৰিকাই আজি বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ইয়াৰ লগতে তেওঁ চামগুৰি সমষ্টিৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈও প্ৰচাৰত অংশ লয়। ইপিনে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই আজি চিদলী সমষ্টিৰ মনোনীত প্ৰাৰ্থী সঞ্জীৱ ৱাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰচাৰৰ মাজতে তেওঁ বহুকেইটা অঞ্চলৰ ৰাইজৰ সৈতে মত বিনিময় কৰে। কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনে আজি চামগুৰি সমষ্টিৰ প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ প্ৰচাৰ চলায়।

উল্লেখযোগ্য যে ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰিছে।

০০০০০

অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ আজি দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ জ্যোতি চিত্ৰবনত আৰম্ভ হৈছে। উদ্বোধনী অনুষ্ঠানত সুনীল মহান্তী, কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ ডেকা, সংগীতশিল্পী তৰালী শৰ্মাকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ ডেকাই অনুষ্ঠানত কলা আৰু সংস্কৃতিৰ জৰিয়তে সংস্কৃতি আৰু ঐতিহ্য ৰক্ষা কৰিব লাগিব বুলি ভাষণত উল্লেখ কৰে। ভাষণত উপাচাৰ্যগৰাকীয়ে এইদৰে কয়-

**ভইচ কাষ্ট**

প্ৰবাল খাউণ্ড পৰিচালিত আৰু গোপাল জালানৰ লগতে ধ্ৰুৱজ্যোতি কাকতি প্ৰযোজিত দ্যা লাষ্ট জেনেৰেচন ছবিৰে মহোৎসৱৰ উদ্বোধন কৰা হয়। এই মহোৎসৱত ৫০ খন তথ্যচিত্ৰ আৰু চুটি ছবি প্ৰদৰ্শন কৰা হ'ব। প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী- এই দুয়োটা শাখাত ছবিসমূহ প্ৰদৰ্শন কৰা হ'ব। বিশ্ব সংবাদকেন্দ্ৰ, অসমৰ সহযোগী অনুষ্ঠান চলচিত্ৰমৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ মূল বিষয়বস্তু হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। মূল বিষয়বস্তুৰ উপৰি মহোৎসৱত ভূমি আৰু মানুহ, পৰ্যটন, কলা, হস্তশিল্প আৰু বস্ত্ৰ, পাণ্ডুলিপি আৰু পাণ্ডুলিপি চিত্ৰাংকন, চিত্ৰাংকন আৰু কাঠত খোদাই কৰা কলা, সংগীত আৰু সংগীতজ্ঞ, সাংস্কৃতিক উৎসৱ, স্মৃতি সৌধ আৰু ঐতিহ্যক্ষেত্ৰ, সমাজ সংস্কাৰক আৰু আগৰণুৱাসকলক, ক্ৰীড়া, চাহ আৰু তৈল উদ্যোগ, সংস্কৃতি আৰু মূল্যবোধ, সামাজিক সজাগতা, পৰিয়াল ব্যৱস্থা, মহিলা, পৰিৱেশ আদি বিষয়কো প্ৰাধান্য দিয়া হৈছে। চলচ্চিত্ৰৰ জৰিয়তে ৰাষ্ট্ৰীয়তাবাদক উৎসাহিত কৰাৰ লগতে ভাৰতৰ কেইবা হাজাৰবৰ্ষ পূৰণি সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যক শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধীনত কাইলৈ অনুষ্ঠিত হ'বলগীয়া চতুৰ্থ বৰ্গৰ লিখিত পৰীক্ষা নিকাভাৱে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি পুৱা চাৰে ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ ইণ্টাৰনেট সেৱা বন্ধ ৰখা হ'ব। ৰাজ্যত গৃহ আৰু ৰাজনৈতিক বিভাগৰ হৈ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে এটা বিবৃতিযোগে এই কথা সদৰি কৰাৰ লগতে সকলোকে যুৱপ্ৰজন্মৰ ভৱিষ্যতৰ স্বাৰ্থত সহযোগিতা কৰিবলৈ আহ্বান জনাইছে। চৰকাৰৰ নিৰ্দেশনা ভংগ কৰিলে ভাৰতীয় ন্যায় সংহিতাৰ ২০২৩ ধাৰা আৰু ইণ্ডিয়ান টেলিগ্ৰাফ এক্টৰ সংশ্লিষ্ট ব্যৱস্থাৰ অধীনত শাস্তি বিহা হ'ব বুলিও বিবৃতিটোত কোৱা হৈছে।

উল্লেখযোগ্য যে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ তত্বাৱধানত কাইলৈ ৰাজ্যৰ ২৮ খন জিলাত ৪২টা বিভাগৰ চতুৰ্থ বৰ্গৰ মুঠ ৫ হাজাৰ ২৩টা খালী পদৰ বাবে অনুষ্ঠিত হ'বলগীয়া  এই পৰীক্ষাত এহেজাৰ ৪৮৪টা কেন্দ্ৰত ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। ইয়াৰে প্ৰথম প্ৰশ্নকাকতত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থী ৮ লাখ ২৭ হাজাৰ ১৩০ গৰাকী আৰু দ্বিতীয় প্ৰশ্নকাকতত ৫ লাখ ৫২ হাজাৰ দুগৰাকী। পুৱা ৯ বজাৰ পৰা দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে আৰু ডেৰ বজাৰ পৰা অষ্টম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হ'ব। মহিলা পৰীক্ষাৰ্থীৰ তালাচীৰ বাবে মহিলা আৰক্ষীৰ সৈতে অংগনৱাড়ী আৰু আশাকৰ্মী উপস্থিত থাকিব বুলি নিযুক্তি আয়োগে জানিবলৈ দিছে। প্ৰশিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে উত্তৰ পূব সীমান্ত ৰে'লৱেই আজিৰে পৰা ৰাজ্যত ৫ খন বিশেষ ৰে'লৰ চলাচলৰ ব্যৱস্থা কৰিছে। ৰে'লৰ সূচী অনুসৰি চলাচল কৰিবলগীয়া বিশেষ ৰেলগাড়ীকেইখন হ'ল কৰিমগঞ্জ-শিলচৰ-কৰিমগঞ্জ, মৰিয়নি-নাৰেঙ্গী-মৰিয়নি, হয়বৰগাঁও-গুৱাহাটী-হয়বৰগাঁও, আলিপুৰ দুৱাৰ-কামাখ্যা-আলিপুৰ দুৱাৰ আৰু জামিৰা-শিলচৰ-জামিৰা।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত ছেমি কণ্ডাক্টৰ উদ্যোগ ঃ উত্তৰ-পূব ভাৰতত প্ৰযুক্তিগত প্ৰত্যাহ্বান আৰু সম্ভাৱনাসমূহ শীৰ্ষক এখন আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানে শিক্ষাৰ সৈতে উদ্যোগক সমন্বিত কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত ছেমি কণ্ডাক্টৰ খণ্ডৰ উদ্ভাৱনী আৰু ষ্টাৰ্টআপৰ সম্ভাৱনাসমূহ অন্বেষণ কৰাৰ বাবে অনুপ্ৰাণিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰিছে। ইয়াৰ লগতে সকলো শিক্ষানুষ্ঠানক শিক্ষা, গৱেষণা আৰু শিক্ষাৰ্থীসকলৰ দক্ষতা বিকাশৰ জৰিয়তে ছেমি কণ্ডাক্টৰ উদ্যোগত সুফল লাভ কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানটোত দেশৰ প্ৰায় ৩০০ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

০০০০০

উত্তৰ পূব সীমান্ত ৰেলৱে উৎসৱৰ সময়ছোৱাত যাত্ৰীসকলৰ অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণ কৰাৰ বাবে ১২ খন বিশেষ ৰেলগাড়ী চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে। এই অনুসৰি এখন বিশেষ ৰেল বৈষ্ণোদেৱী কাত্ৰাৰ পৰা ২৮ অক্টোবৰ আৰু ২ নৱেম্বৰত সন্ধিয়া ৬ বাজি ৪৫ মিনিটত যাত্ৰা কৰি ৩০ অক্টোবৰ আৰু ৪ নৱেম্বৰৰ নিশা দহ বজাত কামাখ্যাত উপস্থিত হব। একেদৰে ৰেলখন ৩১ অক্টোবৰ আৰু ৫ নৱেম্বৰত কামাখ্যাৰ পৰা পুৱা ৬ বজাত যাত্ৰা কৰি ২ আৰু ৭ নৱেম্বৰৰ পুৱা ৬ বাজি ২০ মিনিটত কাত্ৰাত উপস্থিত হব। এই সময়ছোৱাৰ বাবে কাতিহাৰৰ পৰা মনিহাৰী সংযোগী দুখন ৰেল ২৫ টা যাত্ৰাৰ বাবে আজিৰে পৰা ১৯ নৱেম্বৰলৈ চলাচল কৰিব।  একেদৰে নিউজলপাইগুৰিৰ পৰা পাটনা অভিমুখী দুখন ৰেল ২ নৱেম্বৰৰ পৰা ৩০ নৱেম্বৰলৈ ৫ টা যাত্ৰাৰ বাবে চলাচল কৰিব। ইপিনে, আচাণ্ডলৰ পৰা কাতিহাৰ অভিমুখী, কাতিহাৰৰ পৰা দৌৰমাধেপোৰা অভিমুখী আৰু কাতিহাৰৰ পৰা চাপৰা অভিমুখী ৬ খন ৰেল এই সময়ছোৱাতে চলাচল কৰোৱা হব।

এইৰেলসমূহৰ ষ্টপেজ আৰু সময়ৰ বিস্তৃত বিৱৰণ আই আৰ চি টি চি ৱেবছাইটত উপলব্ধ থকাৰ লগতে উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ ছোছিয়েল মিডিয়া প্লেটফৰ্মটো প্ৰকাশ কৰা হৈছে।

০০০০০

গোলাঘাট জিলাৰ গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটী ২০২৪ বৰ্ষৰ বঁটাপ্ৰাপকসকলৰ নাম ঘোষণা কৰা হৈছে। অহা ২৫ নৱেম্বৰত এমেচাৰ থিয়েটাৰ ছ'চাইটীৰ প্ৰতিষ্ঠা দিৱসত এই বঁটাসমূহ প্ৰদান কৰা হ'ব।

০০০০০

সমাপ্ত